# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-08-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

00000

বৰাক উপত্যকাৰ দুদিনীয়া ভ্ৰমণসূচীৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি দুপৰিয়া শিলচৰত উপস্থিত হ'ব। তেওঁ প্ৰথমে উদাৰবন্দৰ কাছাকান্তি মন্দিৰ দৰ্শন কৰাৰ পাছত শিলচৰৰ ৰাংগীৰখাৰি পইণ্টত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰিব। বিয়লি তেওঁ এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীয়ে আজি আবেলি ঘুংগুৰ বাইপাছত ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰাৰ লগতে শিলচৰ টেনিচ ক্লাব পৰিদৰ্শন কৰিব। কাইলৈ তেওঁ শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলালৈ গৈ নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

00000

উত্তৰ গুৱাহাটীৰ ৰংমহললৈ গুৱাহাটী উচ্চ ন্যায়ালয়ক স্থানান্তৰ তথা প্ৰস্তাৱিত ন্যায়িক চৌহদ স্থাপনত ৰাজ্য চৰকাৰে কোনো হীন-ডেঢ়ি নকৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকিল সন্থাৰ সৈতে মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰৰ বৈঠক ব্যৰ্থ হোৱাৰ পাছত মহাধিবক্তা দেৱজিৎ শইকীয়াই চৰকাৰৰ এই স্থিতি পুনৰ স্পষ্ট কৰিছিল। শ্ৰীশইকীয়াই কালি সাংবাদিকৰ আগত কয়, যে অহা ৩-৪ বছৰৰ ভিতৰত ন্যায়িক চৌহদ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব। প্ৰয়োজনত ৰাজ্য চৰকাৰে আৰু মাটি অধিগ্ৰহণ কৰিব বুলিও মহাধিবক্তাগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰংমহললৈ স্থানান্তৰ কৰাত বিৰোধী স্থিতিত অটল হৈ থকা উচ্চ ন্যায়ালৰ উকিল সন্থাই তেওঁলোকৰ শেহতীয়া বিশেষ সাধাৰণ সভাৰ প্ৰস্তাৱমৰ্মে অলপতে মুখ্য ন্যায়াধীশক সাক্ষাৎ কৰিছিল।

00000

উত্তৰ গুৱাহাটীৰ ৰংমহললৈ গুৱাহাটী উচ্চ ন্যায়ালয়ক স্থানান্তৰ তথা প্ৰস্তাৱিত ন্যায়িক চৌহদ স্থাপনত ৰাজ্য চৰকাৰে কোনো হীন-ডেঢ়ি নকৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকিল সন্থাৰ সৈতে মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰৰ বৈঠক ব্যৰ্থ হোৱাৰ পাছত মহাধিবক্তা দেৱজিৎ শইকীয়াই চৰকাৰৰ এই স্থিতি পুনৰ স্পষ্ট কৰিছিল। শ্ৰীশইকীয়াই কালি সাংবাদিকৰ আগত কয়, যে অহা ৩-৪ বছৰৰ ভিতৰত ন্যায়িক চৌহদ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব। প্ৰয়োজনত ৰাজ্য চৰকাৰে আৰু মাটি অধিগ্ৰহণ কৰিব বুলিও মহাধিবক্তাগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰংমহললৈ স্থানান্তৰ কৰাত বিৰোধী স্থিতিত অটল হৈ থকা উচ্চ ন্যায়ালৰ উকিল সন্থাই তেওঁলোকৰ শেহতীয়া বিশেষ সাধাৰণ সভাৰ প্ৰস্তাৱমৰ্মে অলপতে মুখ্য ন্যায়াধীশক সাক্ষাৎ কৰিছিল।

00000

দেশে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰত উদগণি যোগোৱা ভোকেল ফৰ লোকেল, আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰতৰ মন্ত্ৰৰে আগবঢ়া উচিত বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত শ্ৰীমোদীয়ে আজি কয় যে উৎসৱৰ বতৰত দেশবাসীয়ে স্বদেশী সামগ্ৰীৰ কথা পাহৰা

উচিত নহয়। তেওঁ কয় যে উপহাৰ আৰু সাজ-সজ্জাৰ বাবে মেড ইন ইণ্ডিয়া অৰ্থাৎ দেশতে নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰা উচিত। জীৱনৰ সৈতে জড়িত সকলো সামগ্ৰী স্বদেশী হ'ব লাগে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। আকাশবাণী গুৱাহাটীয়ে মন কী বাত অনুষ্ঠানৰ অসমীয়া ভাষান্তৰ নিশা ৮ বজাত পুনৰ প্ৰচাৰ কৰিব।

০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে লখিমপুৰ জিলাত অহা ১৩ ছেপ্তেম্বৰত লোক আদালতৰ আয়োজন কৰা হৈছে। জিলা আইনসেৱা প্ৰাধিকৰণৰ উদ্যোগত লখিমপুৰ জিলা ন্যায়ালয় আৰু ঢকুৱাখনা মহকুমা ন্যায়ালয়ত এই আদালতৰ আয়োজন কৰা হৈছে। এই আদালতৰ জৰিয়তে শ্ৰম বিবাদ, বেংকৰ ঋণ অনাদায়কে ধৰি সমিলমিলেৰে মীমাংসা কৰিব পৰা ফৌজদাৰী আৰু দেৱানী গোচৰ নিষ্পত্তি কৰা হ'ব। লখিমপুৰ জিলা আইন প্ৰাধিকৰণৰ বিষয়াসকলে লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কৰ্তৃপক্ষই ৰোগী আৰু চিকিৎসালয়ৰ সেৱা উন্নীতকৰণকে ধৰি আন যিকোনো সমস্যাৰ সমাধানৰ বাবে এটা বিশেষ হোৱাটছএপ নম্বৰ মুকলি কৰিছে। ৬৯০০৪৭৬০০৬ এই নম্বৰত এতিয়াৰে পৰা যিকোনো অভিযোগৰ বাবে যোগাযোগ কৰিব পাৰিব বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

গুৱাহাটী পৌৰ নিগমে চিকুণ গুৱাহাটী, মোৰ গুৱাহাটী বিষয়ক এখন শুভংকৰ আৰু ল'গ' ডিজাইন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সকলোৰে বাবে মুকলি এই প্ৰতিযোগিতাত ইচ্ছুক প্ৰতিযোগীসকলে অহা ৫ চেপ্তেম্বৰলৈকে অংশগ্ৰহণ কৰিব পাৰিব। সবিশেষ জানিবলৈ আগ্ৰহীসকলে ইভেণ্টছ্ ডট জি এম চি অনলাইন ডট ইনত লগইন কৰিব পাৰে।

০০০০০

সমাপ্ত